1।সমাজদৰ্শনৰ জ্ঞানমূলক কেইটাদিশ আছে?
Ans: সমাজদৰ্শনৰ জ্ঞানমূলক দিশটোৰ তিনিটা দিশ আছে- 1) তাত্ত্বিক দিশ
2)সমালোচনামূলক দিশ
3) সমন্বয়মূলক দিশ

2। সামাজিক দৰ্শনৰ পৰিসৰ বা আলোচ্য বিষয় আলোচনা কৰা।
Ans: সমাজ দৰ্শনবো এটা নিৰ্দিষ্ট আলোচ্য বিষয়বস্তু আছে যাক সমাজ দৰ্শনৰ পৰিসৰ বোলা হয়। তলত উল্লেখ কৰা বিষয়সমূহ সমাজ দৰ্শনৰ পৰিধিৰ অন্তৰ্ভুক্ত।

১। সমাজ দৰ্শনে মানুহৰ সামাজিক প্ৰকৃতি, এই বিশ্বত মানুহৰ স্থান সমাজতন্ত্ৰবাদ, ব্যক্তিস্বাতন্ত্ৰ্যবাদ, জনকল্যাণ, জনকল্যাণৰ লগত ব্যক্তিৰ সম্পৰ্ক আদি বিষয়বোৰ আলোচনা কৰে।

২। সমাজস্থ বিভিন্ন গোষ্ঠী, সামাজিক প্ৰত্যয় সমাজ দৰ্শনৰ আলোচ্য বিষয়। পৰিয়াল, সমাজ, ৰাষ্ট্ৰ, সম্প্ৰদায়, শিক্ষা, প্ৰতিষ্ঠান আদি সামাজিক সংস্থাবোৰৰ উদ্দেশ্য আৰু আদৰ্শৰ বিচাৰ সমাজ দৰ্শনৰ পৰিসৰভুক্ত।

৩। দৰ্শনৰ আলোচনা সৰ্বদা আদৰ্শমূলক। দৰ্শনৰ এটা বিভাগ হিচাপে সমাজ দৰ্শনেও আদৰ্শৰ আলোচনা কৰে। সামাজিক কল্যাণক  আদৰ্শ হিচাপে লৈ সমাজ দৰ্শনে মূল্য , উদ্দেশ্য  আৰু আদৰ্শৰ আলোচনা কৰে।

৪। সামাজিক প্ৰগতি  সমাজ দৰ্শনৰ অন্যতম গুৰুত্বপূৰ্ণ আলোচ্য বিষয়। সামাজিক প্ৰগতিৰ অৰ্থ, বৈশিষ্ট্য, মানদণ্ড আদি বিষয়সমূহ সমাজ দৰ্শনৰ পৰিধিৰ ভিতৰত পৰে।

৫। সমাজ জীৱনত ধৰ্মৰ এটা সুকীয়া স্থান আৰু ভূমিকা আছে। ধৰ্মৰ প্ৰকৃত অৰ্থ, বৈশিষ্ট্য, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ, ধৰ্মৰ লগত শিক্ষা প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰৰ সম্পৰ্ক, সমাজত ধৰ্মৰ ভূমিকা, ধৰ্মৰ সামাজিক মূল্য, সামাজিক সংহতি আৰু ধৰ্ম আদি বিষয়সমূহ সমাজ দৰ্শনত বিস্তাৰিত আলোচনা কৰা হয়।

2. ৰাষ্ট্ৰদৰ্শনৰ পৰিসৰ বা বিষয়বস্তু আলোচনা কৰা।
ans: ৰাষ্ট্ৰদৰ্শন ৰাষ্ট্ৰ সম্পৰ্কীয় সকলো বিষয়বে দাৰ্শনিক অধ্যয়ন। 'Political Philosophy' নামৰ গ্ৰন্থত ৰাষ্ট্ৰদৰ্শনৰ বিষয়বস্তু হিচাপে তলত দিয় বিষয়সমূহৰ উল্লেখ কৰিছে:

১। বাষ্ট্ৰদৰ্শনৰ বিষয়বস্তু হ'ল ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰনীতি, ৰাষ্ট্ৰৰ বিশেষ বৈশিষ্ট্য, ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ ধৰণ , সমিতি আৰু সম্প্ৰদায় প্ৰভৃতি।
২। ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰাষ্ট্ৰদৰ্শনৰ আলোচ্য-বিষয়।
৩। ৰাজনৈতিক বাধ্যতাবোধ  আৰু ইয়াৰ নৈতিক ভিত্তি ৰাষ্ট্ৰদৰ্শনৰ পৰিসৰভুক্ত। এই সম্পৰ্কীয় সামাজিক চুক্তি মতবাদ, সাধাৰণ ইচ্ছা তত্ত্ব , ন্যায়পৰায়ণতাৰ তত্ প্ৰভৃতি ৰাষ্ট্ৰদৰ্শনৰ বিষয়ৰূপে আলোচিত হয়।
৪। স্বাধীনতাৰ ধাৰণা, স্বাধীনতাৰ লগত আইনৰ সম্পৰ্ক, ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ সীমাবদ্ধতা প্ৰভৃতি বিষয় ৰাষ্ট্ৰদৰ্শনৰ গুৰুত্বপূৰ্ণ বিষয়।
৫। গণতান্ত্ৰিক আদৰ্শ, গণতান্ত্ৰিক চৰকাৰ, আন্তৰ্জাতিক সংস্থাৰ গণতান্ত্ৰি স্বৰূপ, সাম্যৰ ধাৰণা, সাম্যৰ অধিকাৰ, ব্যক্তিৰ অধিকাৰ আৰু সামাজি উপযোগিতাৰ সম্পৰ্ক প্ৰভৃতি ৰাষ্ট্ৰদৰ্শনত আলোচিত হয়।
৬। জনকল্যাণ প্ৰতিষ্ঠা কৰাই হ'ল ৰাষ্ট্ৰদৰ্শনৰ মূল লক্ষ্য।

3. সমাজদৰ্শন অধ্যয়নৰ উপযোগিতা আলোচনা কৰা।

Ans: সমাজদৰ্শন অধ্যয়নৰ যথেষ্ট উপযোগিতা আছে। সমাজদৰ্শনে সমাজ সম্পৰ্কে সামগ্ৰিক জ্ঞান দিয়ে। গতিকে সমাজদৰ্শন অধ্যয়ন কৰিলে সমাজ সম্পৰ্কে যি জ্ঞান লাভ কৰা যায় সি আন শাস্ত্ৰত বিচাৰি পাবলৈ নাই। সেইকাৰণে সমাজদৰ্শন অধ্যয়নৰ গুৰুত্ব অপৰিসীম। তলত সমাজদৰ্শন অধ্যনৰ উপযোগিতাৰ দিশসমূহ উল্লেখ কৰা হ'ল:

১। সমাজদৰ্শন অধ্যয়ন কৰিলে সমাজ সম্পৰ্কে এক সামগ্ৰিক জ্ঞান লাভকৰিব পাৰি। সমাজৰ উদ্দেশ্য, লক্ষ্য, সমাজৰ উপকাৰিতা, সমাজত ধৰ্মৰ ভূমিকা ইত্যাদিৰ জ্ঞান সমাজ দৰ্শন অধ্যয়ন কৰিলেহে লাভ কৰিব পাৰি।

২। সমাজ দৰ্শন বিভিন্ন সমাজ বিজ্ঞানসমূহৰ পৰিপূৰক হিচাপে কাম কৰে।

৩। সমাজ দৰ্শনৰ অধ্যয়নে মানুহক অসামাজিক কাৰ্যকলাপৰ পৰা মুক্ত কৰি সমাজপৰায়ণ ব্যক্তি হিচাপে গঢ়ি তোলে।গতিকে সমাজ দৰ্শন অধ্যয়ন কৰিলে এজন মানুহে প্ৰকৃত সামাজিক ব্যক্তি হিচাপে নিজকে গঢ় দিব পাৰে।

৪। সমাজ দৰ্শনে মানুহক সামাজিক জীৱন-যাপনৰ আদৰ্শৰ সন্ধান দিয়ে আৰু এই আদৰ্শ হ'ল সামাজিক কল্যাণ।

৫। সমাজ দৰ্শন অধ্যয়নৰ ফলত সামাজিক ঐক্য আৰু সংহতি ৰক্ষিত হয়। সুস্থ সমাজ জীৱনৰ স্বাৰ্থত সামাজিক সংহতি অতিকৈ প্ৰয়োজন। সামাজিক ঐক্য সাধনৰ আঁৰত কাম কৰে কিছুমান বিশেষ শক্তি।

৬। সমাজ দৰ্শনে সামাজিক ব্যাধিৰ স্বৰূপ আৰু কাৰণ সম্পৰ্কে অধ্যয়ন কৰে। এই ব্যাধি নিবাৰণৰ উপায় সমাজ দৰ্শনে নিৰ্দেশ দিয়ে। গতিকে সমাজ দৰ্শন সমাজৰ অশুভ ঘটনা আঁতৰাই সমাজক সুস্থ কৰি ৰখাত সহায় কৰে।

৭। মানুহ সামাজিক জীৱ হিচাপে নিজৰ কল্যাণ বিচাৰে। কিন্তু নিজৰ কল্যাণ জনকল্যাণ বিহীন যে সম্ভৱ নহয় এই জ্ঞান সমাজ দৰ্শন অধ্যয়ন কৰিলে লাভকৰিব পাৰি।

৮। সমাজ দৰ্শনে সামাজিক বৈষম্যৰ বিষয়ে অধ্যয়ন কৰি বিভিন্ন প্ৰকাৰৰ সামাজিক বৈষম্য, যেনে- লিংগ-বৈষম্য, জাতি-বৈষম্য, শ্ৰেণী-বৈষম্য, বৰ্ণ-বৈষম্য ইত্যাদিৰ কুফলসমূহ আমাৰ আগত তুলি ধৰে।

৯। সমাজ দৰ্শনে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, আচাৰ-ব্যৱহাৰ, সংঘ-সমিতি ইত্যাদিৰ মূল্যায়ন কৰে, দোষ-ত্ৰুটিৰ আৱিষ্কাৰ কৰে আৰু সংশোধনৰ পথ নিৰ্দেশ কৰে। গতিকে সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান আদি পৰিচালনাত সমাজ দৰ্শনৰ জ্ঞান একান্তই আৱশ্যক।

১০। সমাজ দৰ্শন সমাজৰ অন্তৰ্ভূক্ত ব্যক্তিৰ আচৰণ নিয়ন্ত্ৰণ কৰে। ব্যক্তিক ব্যক্তিৰ অধিকাৰ আৰু কৰ্তব্য সম্পৰ্কে সচেতন কৰে।

১১। সমাজ দৰ্শন অধ্যয়ন কৰিলে মানুহে মানৱ কল্যাণ বা সামাজিক কল্যাণৰ আদৰ্শৰ ভিত্তিত কোনটো আচৰণ সমাজৰ বাবে উচিত-অনুচিত, ভাল-বেয়া, ন্যায়-অন্যায় ইত্যাদি সম্পৰ্কে জ্ঞান লাভ কৰে। সেইবাবে দেখা যায় সমাজ দৰ্শন আৰু নীতিবিজ্ঞানৰ মাজৰ সম্পৰ্ক অতি গভীৰ।

গতিকে দেখা যায়, সমাজ দৰ্শন অধ্যয়নৰ যথেষ্ট উপযোগিতা বা উপকাৰিতা আছে। দৰাচলতে সমাজ দৰ্শনৰ জ্ঞানে মানুহক বিভিন্ন অসামাজিক ক্ৰিয়াকলাপৰ পৰা মুক্ত কৰি, সামাজিক কুসংস্কাৰ, অন্ধবিশ্বাসৰ পৰা মুক্ত কৰি আমাৰ সমাজ ব্যৱস্থাক সুন্দৰ আৰু সুশৃংখলিতৰূপত পৰিচালিত কৰিব পাৰে।